**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-04-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***

-----------------------

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ ব্যাপক প্ৰচাৰ অভিযান। শিলচৰত জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ৰোড শ্ব'ত অংশগ্ৰহণ।

২। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে বিভিন্ন সমষ্টিত মনোনয়ন পত্ৰ পৰীক্ষণ। কোকৰাঝাৰ লোকসভা সমষ্টিত সাংসদ নৱ কুমাৰ শৰণীয়াৰ মনোনয়ন পত্ৰ নাকচ। কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন।

৩। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে বিভিন্ন জিলাত ভোটদাতাক সজাগ কৰাৰ বাবে প্ৰশাসনৰ ব্যাপক কাৰ্যসূচী গ্ৰহণ।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ২২৩ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ। দ্বিতীয়খন খেলত পাঞ্জাব কিংছ আৰু গুজৰাট টাইটানছৰ মুখামুখি।

ooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযানত ব্যাপক তৎপৰতা পৰিলক্ষিত হৈছে। এই উদ্দেশ্যেৰে বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি শিলচৰত এন ডি এৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ হৈ এটা নিৰ্বাচনী ৰোড শ্বোত অংশগ্ৰহণ কৰে। বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীক এই ৰোড শ্বোত বিজেপি মিত্ৰজোঁটৰ কেউটা দলৰ কেইবাহাজাৰ নেতা কৰ্মীৰ লগতে বহুসংখ্যক ৰাইজ উপস্থিত থাকে।

আনহাতে ৰাজ্যৰ জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ বিভিন্ন ঠাইত ডিফু সংসদীয় সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী অমৰ ছিং তিছ'ৰ হৈ প্ৰচাৰ চলায়। বোকাজান বিধানসভা সমষ্টিৰ সৰিয়হজানত আয়োজিত নিৰ্বাচনী সভাত প্ৰচাৰ চলাই ড০ শৰ্মাই সমষ্টিটোত বিজেপি দলৰ জয়লাভৰ সম্পৰ্কত প্ৰবল আত্মবিশ্বাসী বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ইয়াৰ পাছত ড০ শৰ্মাই হাওৰাঘাট আৰু বৈঠালাংছুত অন্য দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকায়ো ৰূপহী বিধানসভাৰ শিঙাৰি বজাৰত বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। পৰ্যটন মন্ত্ৰী জয়ন্তমল্ল বৰুৱায়ো দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ জিলাখনৰ চাৰিখন ঠাইত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

অগপৰ জ্যেষ্ঠ নেতা তথা কৃষি, পশুপালন আদি বিভাগৰ মন্ত্ৰী অতুল বৰা আৰু দলটোৰ আন এগৰাকী জ্যেষ্ঠ নেতা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি কৰিমগঞ্জ লোকসভা সমষ্টিৰ নিউ-কৰিমগঞ্জৰ শিলচৰ ৰোডত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰে। এন ডি এ চৰকাৰৰ দিনতে বৰাক-ব্ৰহ্মপুত্ৰবাসীৰ সমন্বয়ৰ এনাজৰী মজবুত হোৱাৰ লগতে বৰাকবাসীৰ বিকাশৰ অভূতপূৰ্ব ধাৰা দেখিবলৈ সক্ষম হোৱা বুলি মন্ত্ৰী শ্ৰী বৰাই দাবী কৰে।

ইফালে, ধুবুৰী লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে আজি গোৱালপাৰাৰ ডুবাপাৰাত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত তেওঁ প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফ আৰু শাসকীয় পক্ষক তীব্ৰ সমালোচনা কৰে। একেদৰে নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়েও ৰূপহী হাটৰ বৰালীমাৰিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ডিফু লোকসভা সমষ্টিৰ বাবে বৈঠালাংছু বিধানসভা সমষ্টিৰ চিনথঙত কংগ্ৰেছৰ প্ৰাৰ্থী জয়ৰাম ইংলেঙেও নিৰ্বাচনী প্ৰচাৰ অভিযান চলায়।

উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ত ৰাজ্যখনত ৫ টা সমষ্টি- দৰং-ওদালগুৰি, কৰিমগঞ্জ, ডিফু, শিলচৰ আৰু নগাঁও সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

ooooo

কোকৰাঝাৰ লোকসভা সমষ্টিৰ দুবাৰৰ সাংসদ নব কুমাৰ শৰণীয়াৰ মনোনয়ন পত্ৰ অবৈধ বুলি নিৰ্বাচন আয়োগে এটা নিৰ্দেশ যোগে ঘোষণা কৰিছে। এই সংক্ৰান্তত কোকৰাঝাৰ সমষ্টিৰ মুঠ ১৬ খন মনোনয়ন পত্ৰৰ ভিতৰত নব কুমাৰ শৰনীয়াৰ মনোনয়ন পত্ৰ পৰীক্ষণৰ সময়ত অবৈধতাৰ ভিত্তিত নাকচ কৰা হৈছে বুলি ৰিটাৰ্নিং বিষয়া প্ৰদীপ কুমাৰ দ্বিবেদীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, সমষ্টিটোৰ সাধাৰণ পৰ্যৱেক্ষক, ৰিটাৰ্নিং বিষয়াৰ লগতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী তথা তেওঁলোকৰ প্ৰস্তাৱকসকল মনোনয়ন পত্ৰৰ পৰীক্ষণৰ সময়ত উপস্থিত আছিল। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰাৰ্থীগৰাকীয়ে অনুসূচীত জনজাতি অন্তৰ্ভুক্ত নহয় বুলি ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিয়ে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন ইতিপূৰ্বে খাৰিজ কৰিছে।

ৰাজ্যৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৬০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰা হয়। কাইলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। কালি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ অন্তত গুৱাহাটী সমষ্টিৰ দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল কৰা হয়। সমষ্টিটোৰ বাবে মুঠ ১০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। এই সমষ্টিটোত বিজেপিৰ বিজুলী কলিতা মেধি আৰু কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে।

ooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষসমূহৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচী আয়োজন কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাসমূহত এই সম্পৰ্কীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। এই সংক্ৰান্তত ঠায়ে ঠায়ে ভোটাৰ সজাগতাৰ লক্ষ্যৰে সজাগতামূলক কাৰ্যসূচী হাতত লোৱা হৈছে।

ওদালগুৰি জিলাত ভোটাৰ ৰাইজৰ মাজত ভোটদান সম্পৰ্কীয় সজাগতা সৃষ্টিৰ লক্ষ্যৰে খৈৰাবাৰী ৰে'লৰে গে'টৰ পৰা নাগাছোৱালৈ ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মানৱ শৃংখল গঠন কৰা হয়। টংলা আৰু ভেৰগাঁও বিধানসভা

সমষ্টিৰ কেইবাহাজাৰ মহিলাই জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত এই কাৰ্যসূচীত ভাগ লয়। কৰিমগঞ্জ জিলাতো জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত জিলা প্ৰশাসনৰ উদ্যোগত নিৰ্বাচনী সজাগতা সৃষ্টিৰ লক্ষ্যৰে এখন আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ডিমাহাচাও জিলাতো হাফলং বিধানসভা সমষ্টিৰ ভোটাৰসকলৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে SVEEP আইকন ৰাকেশ বনিকে জিলা প্ৰশাসনৰ উদ্যোগত জিলাখন পৰিভ্ৰমণ কৰে। ইয়াৰ লগতে ভোটাৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে আয়োজন কৰা এটা চাইকেল ৰেলীত প্ৰায় ৭০০ গৰাকী মহিলাই অংশগ্ৰহণ কৰে। চাইকেল ৰেলীত ভাগ লৈ শ্ৰী বনিকে কয় যে, দেশত এখন সুস্থ চৰকাৰ প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত প্ৰতিজন ভোটদাতাই নিৰ্বাচনৰ সময়ত নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা উচিত।

বঙাইগাঁও জিলা প্ৰশাসনে তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি চলোৱাৰ লগতে কোনো ধৰণৰ সম্ভাব্য অপ্ৰীতিকৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ জিলাখনৰ সকলো নথিভূক্ত আৰু পঞ্জীভূক্ত মাৰণাস্ত্ৰ প্ৰশাসনৰ হাতত জমা দিবলৈ নিৰ্দেশ জাৰি কৰে। এই নিৰ্দেশৰ ভিত্তিত জিলাখনৰ মুঠ ১০৩ টা ব্যক্তিগত মাৰণাস্ত্ৰ জিলা প্ৰশাসনৰ হাতত জমা দিয়া হয়। ইয়াৰ লগতে বিক্ৰিয় প্ৰতিষ্ঠানসমূহৰ নথিভূক্ত মাৰণাস্ত্ৰসমূহৰো বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জিলাখনৰ আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে জিলাখনত নিৰ্বাচনী প্ৰস্তুতি সম্পৰ্কীয় সকলো দিশৰ আলোচনা কৰিবৰ বাবে আজি জিলা আয়ুক্ত কাৰ্যালয়ত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে আয়ুক্তগৰাকীয়ে এখন সভাত অংশগ্ৰহণ কৰে।

বাক্সা জিলাতো জিলা প্ৰশাসনে দৰং-ওদালগুৰি লোকসভা সমষ্টিত ভোটগ্ৰহণৰ বাবে নিয়োজিত ভোটগ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হৈছে। বাক্সা জিলাৰ বৰমা মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণত উপস্থিত থাকি অতিৰিক্ত জিলা আয়ুক্তই কয় যে, তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিত নিৰ্বাচনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। সমষ্টি দুটাৰ ৪৭০ টা ভোটকেন্দ্ৰত দুহেজাৰ ২৪৪ গৰাকী ভোটগ্ৰহণকাৰী বিষয়াই ভোটগ্ৰহণত অংশগ্ৰহণ কৰিব বুলি অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। ইতিমধ্যে লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিটোত নিৰ্বাচনী আয়োগৰ বিধি অনুযায়ী বিশেষভাৱে সক্ষম আৰু ৮৫ বছৰ বয়সৰ ওপৰৰ ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰা হৈছে। মঙলদৈ বিধানসভা সমষ্টিত মুঠ ৫১৪ জন এনে ভোটাৰ আছে বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। ইয়াৰ ভিতৰত ২০৩ গৰাকী বিশেষভাৱে সক্ষম আৰু ৩১১ গৰাকী ৮৫ বছৰৰ ওপৰৰ জ্যেষ্ঠ নাগৰিক।

ইফালে, কোকৰাঝাৰত নিৰ্বাচনী বিভাগে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কৰ্তব্যৰত আৰক্ষীসকলৰ কাৰণে পোষ্টেল বেলট ভোটদানৰ আয়োজন কৰে।

00000

আজি মহাবীৰ জয়ন্তী। জৈন ধৰ্মৰ ২৪ সংখ্যক তীৰ্থাংকৰ ভগৱান মহাবীৰ জৈনৰ জয়ন্তী হিচাপে এই উৎসৱ পালন কৰা হয়। ভগৱান মহাবীৰে অহিংসা, সত্য, ব্ৰহ্মচৰ্য্য, অস্তেয়, সংযমৰ লেখীয়া জৈন আদৰ্শৰাজিৰ মাধ্যমেৰে শান্তিপূৰ্ণ সহাৱস্থান আৰু বিশ্ব ভাতৃত্ববোধৰ পথ দেখুৱাই থৈ গৈছে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাবীৰ জয়ন্তী উপলক্ষে দেশৰ জনসাধাৰণ বিশেষকৈ জৈন ধৰ্মাৱলম্বী লোকসকলক ওলগ জনায়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, অহিংসা আৰু কৰুণাৰ প্ৰতীক স্বৰূপ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি পালন কৰা এই উৎসৱে আমাক মৰম-ভালপোৱা আৰু শান্তিৰ

বাৰ্তা দিয়ে। তেওঁ কয় যে, ভগৱান মহাবীৰে এখন আদৰ্শ আৰু সভ্য সমাজ গঢ়াৰ বাবে অহিংসা, ব্ৰহ্মচৰ্য্য, সত্য আৰু ত্যাগৰ পথ দেখুৱাই থৈ গৈছে আৰু তেওঁৰ শিকনিসমূহ মানৱ জাতিৰ কল্যাণৰ বাবে সদায় প্ৰাসংগিক হৈ থাকিব।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মায়ো মহাবীৰ জয়ন্তী উপলক্ষে জৈন ধৰ্মৰ তীৰ্থাংকৰগৰাকীৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি সামাজিক মাধ্যমযোগে ৰাজ্যবাসীক ভগৱান মহাবীৰৰ শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ আদৰ্শৰে পৰিচালিত হ'বলৈ আহ্বান জনায়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত খেলখনত টছত জিকি বেংগালুৰুৱে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। নিৰ্ধাৰিত ২০ অভাৰত কলকাতাই ৬টা উইকেট হেৰুৱাই ২২২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে সৰ্বাধিক ৫০ আৰু অপেনাৰ ফিল ছল্টে ৪৮ ৰান কৰে। প্ৰত্যুত্তৰত আমালৈ অহা শেহতীয়া খবৰ অনুসৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১১ অভাৰত ৪টা উইকেট হেৰুৱাই ১৩৮ ৰানত খেলি আছে।

ইফালে চণ্ডিগড়ৰ মহাৰজা যাদবীন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ, গুজৰাট টাইটানছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

ooooo

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰস্তুতি, প্ৰধানমন্ত্ৰীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসম ভ্ৰমণ, প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ, ব্যাপক উছাহেৰে ৰঙালী বিহু উদযাপন তথা অসমীয়া নতুন বৰ্ষক আদৰণি, হাইস্কুল শিক্ষান্ত পৰীক্ষা ফলাফল ঘোষণাকে ধৰি বিভিন্ন বাতৰিয়ে বিগত সপ্তাহত আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

লোকসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ পৰ্যায়ৰ কেইবাগৰাকীও নেতাই যোৱাটো সপ্তাহত প্ৰচাৰৰ বাবে অসমলৈ আহে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলাবলৈ মঙলবাৰে গুৱাহাটীত উপস্থিত হয়। তেওঁ বৰপেটা আৰু দৰং-ওদালগুৰি প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰ চলায়। সমাজৰ সৰ্বস্তৰৰ জনতাৰ বাবে চৰকাৰে বহু জনকল্যাণমুখী আঁচনি ৰূপায়ণ কৰাৰ লগতে ভাৰতক বিশ্বৰ অন্যতম শক্তিশালী অৰ্থনীতিত পৰিণত কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, এন ডি এ পুনৰ শাসনলৈ আহিলে বিকাশৰ যাত্ৰা অধিক ত্বৰান্বিত হ'ব।

ইপিনে একেটা দিনতে তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে শিলচৰ সমষ্টিৰ প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নেত্ৰীগৰাকীয়ে বিজেপিক গণতান্ত্ৰিক প্ৰমূল্যৰ পৰিপন্থী বুলি সমালোচনা কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডাই কোকৰাঝাৰ আৰু ধুবুৰীৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

যোৱাটো সপ্তাহৰ শুকুৰবাৰ অৰ্থাৎ ১৯ এপ্ৰিলত দেশৰ ১৭খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২টা লোকসভা সমষ্টিত লোকসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈ যায়। ইয়াৰ লগতে একেটা দিনতে অৰুণাচল

প্ৰদেশ আৰু ছিকিম বিধানসভাৰো ভোটগ্ৰহণ সম্পন্ন হয়। ইপিনে অসমত পাঁচটা সমষ্টিত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন হয়। ইয়াৰে যোৰহাট সমষ্টিত প্ৰায় ৮০ শতাংশ, ডিব্ৰুগড়ত ৭৬ দশমিক ৭-৪ শতাংশ, কাজিৰঙাত ৭৫ শতাংশৰো অধিক, লখিমপুৰত ৭২ শতাংশৰো অধিক আৰু শোণিতপুৰ প্ৰায় ৭৫ শতাংশ ভোটদাতাই ভোটদান কৰে।

লোকসভাৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে যোৱা শুকুৰবাৰে মনোনয়ন দাখিলৰ অন্তিমটো দিনা মুখ্যমন্ত্ৰীৰ লগতে কেইবাগৰাকীও মন্ত্ৰী-বিধায়কৰ উপস্থিতিত গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ মনোনয়ন দাখিল কৰে। তদুপৰি বৰপেটা আৰু কোকৰাঝাৰ সমষ্টিটো কেইবাগৰাকীও প্ৰাৰ্থীয়ে শুকুৰবাৰে তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন দাখিল কৰে।

ৰাজ্যজুৰি বাপতিসাহোন ব'হাগ বিহুক লৈ উছাহ-উদ্দীপনা অব্যাহত আছে। যোৱাটো সপ্তাহত পৰম্পৰা ৰক্ষা কৰি সাত বিহু উদযাপন কৰাৰ লগতে ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

কালি অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এইবাৰৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা ৪ লাখ ১৯ হাজাৰ ৭৮ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৩ লাখ ১৭ হাজাৰ ৩১৭ গৰাকী উত্তীৰ্ণ হয়। জিলাসমূহৰ ভিতৰত উত্তীৰ্ণৰ হাৰেৰে চিৰাং শীৰ্ষত থকাৰ বিপৰীতে নলবাৰী আৰু ডিমা হাছাও দ্বিতীয় আৰু তৃতীয় স্থানত থাকে।

ৰাজ্যজুৰি লোকসভাৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা অব্যাহত আছে। বিশেষকৈ পাঁচটা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে বিভিন্ন জিলাত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠা পৰিলক্ষিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাজনো মন্ত্ৰীকে ধৰি বিজেপি মিত্ৰজোঁটৰ নেতা-কৰ্মীসকলৰ সমান্তৰালকৈ অন্যান্য ৰাজনৈতিক দলসমূহেও জ্যেষ্ঠ নেতা তথা ষ্টাৰ কেম্পেইনাৰ সকলৰ জৰিয়তে প্ৰচাৰ অব্যাহত ৰাখিছে।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহৰ চমু অৱলোকন।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০২৪ বৰ্ষৰ জুন মাহত হবলগীয়া বিশ্ববিদ্যালয় অনুদান আয়োগক ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপনকাৰী পৰীক্ষা ইউ জি চি নেটৰ বাবে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। পঞ্জীয়নৰ প্ৰক্ৰিয়া ১০ মে'লৈকে অব্যাহত থাকিব আৰু অনলাইনযোগে পৰীক্ষা মাচুল জমা কৰাৰ বাবে ১২ মে' অন্তিম দিন ধাৰ্য্য কৰা হৈছে।

০০০০০

সমাপ্ত